**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 02-May-2026
**Time :** 1800 HRS

***Assamese Evening Bulletin***

---

## HEADLINES

::::::::::::::::::

১। পৰহিলৈ হ'বলগীয়া ভোটগণনাৰ বাবে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ।

২। ভোটগণনা আৰু ফলাফল ঘোষণাৰ প্ৰতি লক্ষ্য ৰাখি জিলাই জিলাই সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণ।

৩। ৰে'ল সুৰক্ষা বৃদ্ধি আৰু আধুনিক প্ৰযুক্তি গ্ৰহণৰ বাবে উত্তৰ পূব সীমান্ত ৰে'লৰে আৰু ভাৰতীয় প্ৰযুক্তি বিদ্যা প্ৰতিষ্ঠান গুৱাহাটীৰ মাজত চুক্তি স্বাক্ষৰ।

**আৰু**

৪। জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত অভিযুক্ত সিদ্ধাৰ্থ শৰ্মাৰ জামিন সন্দৰ্ভত পৰহিলৈ ৰায়দান।

ooooo

৪ মে'ত হ'বলগীয়া বিধানসভা নিৰ্বাচনৰ ভোটগণনাৰ পৰিপ্ৰেক্ষিতত জিলা প্ৰশাসনসমূহে প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। ভোটগণনাৰ বাবে ৩৫ খন জিলাৰ মুখ্য কাৰ্য্যালয়ত মুঠ ৪০ টা কেন্দ্ৰ স্থাপন কৰা হৈছে। ভোটগণনা প্ৰক্ৰিয়া নিৰীক্ষণৰ বাবে ১২৬ জন ভোটগণনা পৰ্য্যবেক্ষক নিয়োগ কৰা হৈছে আৰু এই প্ৰক্ৰিয়াত ৫ হাজাৰ ৯৮১ গৰাকী ভোটগণনা বিষয়া আৰু দুহেজাৰ ৩৪৭ গৰাকী মাইক্ৰ' অবজাৰ্ভাৰে সহযোগিতা আগবঢ়াব। প্ৰতিটো সমষ্টিৰ ভোটদানৰ হাৰৰ ওপৰত ভিত্তি কৰি ১৫ৰ পৰা ২৮ টা ৰাউণ্ডত ভোট গণনা কৰা হ'ব। কামৰূপ জিলাৰ ছটা বিধানসভা সমষ্টিত ভোটগণনাৰ বাবে নিয়োজিত বিষয়া-কৰ্মচাৰীসকলক আজি প্ৰশিক্ষণ প্ৰদান কৰা হয়। গোৱালপাৰা জিলাত পৰহিলৈ হ'বলগীয়া ভোটগণনাৰ বাবে জিলা আৰক্ষীয়ে আজি জিলা সংৰক্ষিত আৰক্ষী চাউনীত নিৰাপত্তা সম্পৰ্কীয় এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত কৰে। এই সভাত জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক নৱনীত মহন্ত আৰু অন্যান্য শীৰ্ষ বিষয়াসকল উপস্থিত থাকে। ভোটগণনা প্ৰক্ৰিয়া নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে সুৰক্ষা ব্যৱস্থা কটকটীয়া কৰা হৈছে বুলি জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক বিদ্যুৎ বিকাশ বৰা ভূঞাই জানিবলৈ দিয়ে।

শিৱসাগৰ জিলাতো ভোটগণনাৰ প্ৰস্তুতি সম্পূৰ্ণ কৰি তোলা হৈছে। এই সন্দৰ্ভত জিলাখনৰ আয়ুক্ত মৃদুল যাদৱে এইদৰে কয়-

(বাইট)

শিলচৰত ভোটগণনা নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে আজি গণনা কৰ্মীসকলৰ বাবে বিশদ প্ৰশিক্ষণ কাৰ্য্যসূচীৰ আয়োজন কৰা হয়। কাছাৰ জিলা প্ৰশাসনৰ উদ্যোগত চৰকাৰী বালক উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত এই প্ৰশিক্ষণ শিৱিৰত আজি দুটা পৰ্য্যায়ত প্ৰশিক্ষণ প্ৰদান কৰা হয়। মৰিগাঁও জিলাত জিলা নিৰ্বাচন

শাখাই ভোটগণনাৰ প্ৰতি লক্ষ্য ৰাখি জিলাখনৰ তিনিটা সমষ্টিৰ ভোটগণনাৰ সৈতে জড়িত তথ্য সংগ্ৰহ, অভিযোগ, ওজৰ-আপত্তি দাখিল আৰু বিভিন্ন সমস্যা সমাধানৰ বাবে নিয়ন্ত্ৰণ কক্ষ স্থাপন কৰিছে। ভোটগণনা সম্পূৰ্ণ নোহোৱালৈকে এই কক্ষ কাৰ্য্যক্ষম হৈ থাকিব। জনসাধাৰণে ১০৭৭ নম্বৰত ফোন কৰি ভোটগণনা সম্পৰ্কীয় তথ্য লাভ কৰিব পাৰিব বা ওজৰ-আপত্তি দাখিল কৰিব পাৰিব। ইপিনে দৰঙৰ জিলা নিৰ্বাচনী বিষয়া তথা জিলা আয়ুক্ত আয়ুষী জৈনে ৪ মে'ত হ'বলগীয়া ভোটগণনা সন্দৰ্ভত এখন সংবাদ মেল সম্বোধন কৰে। জিলাখনৰ তিনিটা বিধানসভা সমষ্টি ছিপাঝাৰ, মঙলদৈ আৰু দলগাঁৱৰ বাবে মঙলদৈ মহাবিদ্যালয়ত হ'বলগীয়া ভোটগণনা নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে যাৱতীয় সকলো ব্যৱস্থা সম্পন্ন কৰা বুলি তেওঁ সংবাদমেলত জানিবলৈ দিয়ে। ভোটগণনাৰ বাবে মুঠ ৩০০ বিষয়া কৰ্মচাৰী নিয়োজিত কৰা বুলি জিলা নিৰ্বাচনী বিষয়াগৰাকীয়ে সংবাদমলেত অৱগত কৰে।

**বাক্সা** জিলাৰ আয়ুক্ত কিমনেই চংচানে আজি মানাহ বিধানসভা আৰু বাক্সা বিধানসভা সমষ্টিৰ ভোটগণনাৰ প্ৰস্তুতি সন্দৰ্ভত এখন সংবাদমেলত কয়, যে গণনা প্ৰক্ৰিয়া দুটা পৃথক পৃথক কক্ষত সম্পন্ন হ'ব। প্ৰতিটো কক্ষত ই ভি এম ভোটগণনাৰ বাবে ১৪ খনকৈ টেবুল থাকিব বুলি তেওঁ উল্লেখ কৰে। বজালী জিলাত ভোটগণনাৰ বাবে প্ৰশাসনে বিশেষ ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে কেতবোৰ নিষেধাজ্ঞা জাৰি কৰিছে। ধেমাজি জিলাতো ভোটগণনা শান্তিপূৰ্ণভাৱে অনুষ্ঠিত কৰাৰ বাবে জিলা আয়ুক্তই ভাৰতীয় ন্যায় সংহিতাত সংশ্লিষ্ট ধাৰাৰ অধীনত কেতবোৰ নিষেধাজ্ঞা জাৰি কৰিছে। একেদৰে বিশ্বনাথ জিলাতো পৰহিলৈ ভোটগণনাৰ বাবে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। বিশ্বনাথ আৰু বিহালীত ১৭ টা ৰাউণ্ডত আৰু গহপুৰ সমষ্টিত ১৯ টা ৰাউণ্ডত ভোটগণনা কৰা হ'ব। ভোটগণনাৰ প্ৰস্তুতি সন্দৰ্ভত জিলা আয়ুক্ত লক্ষ্মীনন্দন চহৰীয়াই এইদৰে কয়-

***(বাইট)***

ভোটগণনাৰ বাবে দক্ষিণ শালমাৰা মানকাছৰ জিলা প্ৰশাসন সম্পূৰ্ণভাবে সাজু হৈ উঠিছে। শান্তিপূৰ্ণ আৰু সুৰক্ষিত পৰিবেশত ভোটগণনা সম্পন্ন কৰাৰ উদ্দেশ্যে নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি গঢ়ি তোলা হৈছে। পুৱা ৮ বজাত প্ৰথমে ডাক বেলটৰ ভোটগণনা আৰম্ভ হ'ব। ইয়াৰ বাবে ৭খন টেবুলৰ ব্যৱস্থা কৰা হৈছে। পুৱা চাৰে ৮ বজাত ই ভি এমৰ ভোটসমূহৰ গণনা আৰম্ভ হ'ব। এই পৰ্যায়ত ১৪খন টেবুলত দায়িত্বপ্ৰাপ্ত বিষয়া-কৰ্মচাৰীসকলে একেলগে ভোটগণনা কৰিব। পোষ্টেল ভোট আৰু ই ভি এমৰ ভোটগণনাৰ বাবে দুটা পৃথক গণনা কেন্দ্ৰ স্থাপন কৰা হৈছে। নিৰ্বাচনৰ দায়িত্বত থকা পৰ্যবেক্ষক, ৰিটাৰ্ণিং বিষয়া আৰু জিলা আয়ুক্তই চি চি টিভিৰ কেমেৰাৰ জৰিয়তে গণনা প্ৰক্ৰিয়া কঠোৰ ভাবে নিৰীক্ষণ কৰিব।

বিধানসভা নিৰ্বাচনৰ ভোটগণনা আৰু ফলাফল ঘোষণাৰ প্ৰতি লক্ষ্য ৰাখি আগতীয়া সতৰ্কতামূলক ব্যৱস্থা হিচাপে ঠায়ে ঠায়ে জিলা প্ৰশাসনে কেতবোৰ নিষেধাজ্ঞা জাৰি কৰিছে। জিলা প্ৰশাসনে অনুমতি অবিহনে শোভাযাত্ৰা কৰা, ফটকা ফুটুৱা আৰু মাইক বজোৱাত সাময়িকভাৱে নিষেধাজ্ঞা জাৰি কৰিছে। তদুপৰি ভোটগ্ৰহণ কেন্দ্ৰৰ ১০০ মিটাৰ ব্যসাৰ্ধৰ ভিতৰত ৫ জন বা ততোধিক লোক সমবেত হোৱা, আতচবাজী কৰা, অস্ত্ৰ-শস্ত্ৰ নিয়া, শোভাযাত্ৰা কৰা, লাউড স্পীকাৰ ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। পৰহিলৈ ভোট'গণনাৰ পৰিপ্ৰেক্ষিতত সকলো জিলাতে সুৰা নিষিদ্ধ ঘোষণা কৰা হৈছে।

ooooo

উত্তৰ পূব সীমান্ত ৰে'লৱে আৰু ভাৰতীয় প্ৰযুক্তি বিদ্যা প্ৰতিষ্ঠান গুৱাহাটীয়ে ৰে'ল সুৰক্ষা বৃদ্ধি আৰু আধুনিক প্ৰযুক্তি গ্ৰহণৰ বাবে এক বুজাবুজি চুক্তিত স্বাক্ষৰ কৰিছে। ইয়াৰ জৰিয়তে কোনো বিশেষ পৰিকল্পনা নকৰাকৈ ৰে'ল ইঞ্জিন আৰু দবাসমূহত সংস্থাপন কৰিব পৰাকৈ এটি প্ৰযুক্তি ব্যৱস্থা গঢ়ি তোলা হৈছে। এই ব্যৱস্থাত ইভেণ্ট ভিত্তিক কেমেৰা সংযোজিত হৈ আছে। যিয়ে সময় অনুসৰি ৰে'ল পথৰ অস্বাভাৱিকতা চিনাক্ত কৰাৰ লগতে বিশ্লেষণ কৰিব পাৰি ইয়াৰ জৰিয়তে সমগ্ৰ ৰে'লৱে নেটৱৰ্কৰ ট্ৰেকৰ ত্ৰুটিৰ নিয়ন্ত্ৰণ মেপে সম্ভৱ হৈ উঠিব। এই পদক্ষেপে যাত্ৰীৰ সুৰক্ষা নিশ্চিত কৰাৰ লগতে স্বদেশী প্ৰযুক্তি বিকাশতো উৎসাহিত কৰিব বুলি আশা কৰা হৈছে।

00000

ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতে জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ গোচৰত অভিযুক্ত সিদ্ধাৰ্থ শৰ্মাৰ জামিন আবেদন সন্দৰ্ভত পৰহিলৈ ৰায়দান কৰিব। ২৮ এপ্ৰিলত অনুষ্ঠিত শুনানীৰ অন্তত আদালতে অভিযুক্তজনৰ জামিন আবেদনৰ ৰায়ৰ বাবে আজিৰ দিনটো ধাৰ্য্য কৰিছিল যদিও ন্যায়াধীশ শৰ্মিলা ভূঞা ছুটীত থকাৰ বাবে এতিয়া পৰহিলৈ ৰায় প্ৰদান কৰা হ'ব। সেইদিনাই আদালতে অভিযুক্জনৰ বিৰুদ্ধে আৰোপ কৰা গোচৰৰ ধাৰা সম্পৰ্কেও শুনানী গ্ৰহণ কৰিব। উল্লেখযোগ্য যে, ফাষ্ট ট্ৰেক আদালতে ২৯ এপ্ৰিলত অভিযুক্ত সিদ্ধাৰ্থ শৰ্মাক মহাবীৰ একুৱা নামৰ এটা ব্যৱসায়িক প্ৰতিষ্ঠান আৰু ছটাকৈ বেংক একাউণ্ট জব্দ কৰাৰ নিৰ্দেশ দিছিল। ইয়াৰ পূৰ্বে আদালতে যোৱা ৩০ এপ্ৰিলত গোচৰটোৰ আন এজন অভিযুক শ্যামকানু মহন্তৰ জামিন আবেদন খাৰিজ কৰিছিল।

00000

মাজুলী আৰক্ষীৰ এটা দলে আজি বনগাঁও আৰক্ষী চকীৰ অন্তৰ্গত এটা বাসগৃহত অভিযান চলাই বৃহৎ পৰিমাণৰ ভাং আৰু নগদ ধন জব্দ কৰে। জব্দ কৰা ভাংখিনিৰ মূল্য ৫০ লাখ টকাৰো অধিক হ'ব বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে। আৰক্ষীয়ে অভিযানকালত ছজন লোকক আটক কৰে।

00000

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে পৰহিলৈ পুৱা ৯ বজাৰ পৰা সন্ধিয়া চাৰে ৬ বজালৈ অসম বিধানসভা নিৰ্বাচনৰ ভোটগণনা সন্দৰ্ভত 'জনমত-২০২৬' শীৰ্ষক দিনজোৰা আলোচনা প্ৰচাৰ কৰিব। এই আলোচনাত কেইবাগৰাকী বিশেষজ্ঞই জনসাধাৰণক ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ ভোটগণনাৰ সবিশেষ, সমষ্টিভিত্তিত ফলাফল তথা বিশ্লেষণ ধাৰাবাহিকভাৱে আগবঢ়াব। আলোচনাত জ্যেষ্ঠ সাংবাদিক সুশান্ত তালুকদাৰ, ৰাজনৈতিক বিশ্লেষক অপৰূপা বৰঠাকুৰ, নৰকান্ত বৈশ্য, ধৰণীধৰ গোস্বামী আৰু বেদব্ৰত দেৱমিশ্ৰ উপস্থিত থাকিব।

00000

আকাশবাণীৰ ৯০ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে দেশজুৰি গ্ৰহণ কৰা বিভিন্ন কাৰ্যসূচীৰ অংশ হিচাপে আকাশবাণী গুৱাহাটী কেন্দ্ৰয়ো বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰিছে। এই উপলক্ষে আকাশবাণী গুৱাহাটী কেন্দ্ৰই আজি কেন্দ্ৰৰ চৌহদত থকা আবাসীক এলেকাৰ মুকলি মঞ্চত **নাহৰ ফুল ফুলিবৰ বতৰ** শীৰ্ষক এটা বৰ্ণাঢ্য লোকসংগীতৰ অনুষ্ঠানৰ আয়োজন কৰিছে। এই অনুষ্ঠানত জ্যোতি বিকাশ বৰাৰ দলৰ বিহু, মায়াৰাণী ৰায়, প্ৰিয়াংকা দেৱী মণ্ডল আৰু সংগীবৃন্দৰ গোৱালপৰীয়া লোকগীত-নৃত্য, বৰপেটাৰ গুণীন্দ্ৰ নাথ ওজা দলৰ নাও খেলৰ গীত আৰু ভোৰতাল নৃত্য প্ৰদৰ্শন কৰা হ'ব।

এই অনুষ্ঠানৰ পাছতে সন্ধিয়া চাৰে সাত বজাৰ পৰা আবাসীক চৌহদৰ শিল্পীসকলে বাৰে ৰহনীয়া অনুষ্ঠান পৰিৱেশন কৰিব। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ অনুষ্ঠান কাৰ্যবাহী ইন্দ্ৰজিৎ দাসে আঁত ধৰিবলগীয়া এই অনুষ্ঠানত বিশিষ্ট সংগীত শিল্পী জে পি দাস, দীলিপ দাস, বৰ্ণালী দাস, ৰসানন্দ গগৈ, শংকৰ পাটোৱাৰী আৰু দিনাৰাম বড়োৱে গীতৰ শৰাই আগবঢ়াব। আবাসীক চৌহদৰ শিল্পীসকলে কৃষ্টিৰ বৰঘৰ-অসম শীৰ্ষক বিশেষ নৃত্যানুষ্ঠান পৰিৱেশন কৰিব। আকাশবাণী গুৱাহাটীৰ উপ-সঞ্চালক প্ৰধান ৰবীন চন্দ্ৰ বড়ো আৰু অনুষ্ঠানসমূহৰ মুৰববী কৰ্ডেলিন থ্যাঙখিউৱে সকলোকে এই অনুষ্ঠান উপভোগ কৰিবলৈ আহ্বান জনাইছে।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি চেন্নাইৰ এম এ চিডাম্বৰম ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত চেন্নাই ছুপাৰ কিংছ মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব।

প্ৰতিযোগিতাত যোৱা নিশা জয়পুৰৰ ছৱাই মানসিং ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ডেলহি কেপিটেলছে ৰাজস্থান ৰয়েলছক ৭ উইকেটত পৰাস্ত কৰে।

ooooo

সমাপ্ত